# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-07-2025
**Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম আৰক্ষীৰ নতুন থানা, বেৰেক আৰু চাইবাৰ থানা নির্মাণৰ বাবে গঠন কৰা মিছন মৈত্রী আঁচনিৰ অধীনত ডেৰশ কোটি টকা বিত্তীয় অনুমোদনত অসম মন্ত্রীসভাই মঞ্জুৰি দিছে। মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাৰ অধ্যক্ষতাত আজি ডিব্রুগড়ত অনুষ্ঠিত ৰাজ্যিক মন্ত্রীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্রহণ কৰা হয়। আঁচনিখনৰ প্রথম পর্যায়ত ৭৩ খন থানাৰ উন্নযন সম্পূর্ণ হৈছে আৰু দ্বিতীয় পর্যায়ত ৪৪ খন থানাৰ কাম হাতত লোৱা হৈছে। ইয়াৰে ৩১ খন আৰক্ষী থানা আৰু এখন চাইবাৰ আৰক্ষী থানাৰ কাম সম্পূর্ণ হৈছে। বৈঠকৰ অন্তত এখন সংবাদ মেলত মুখ্যমন্ত্রীগৰাকীয়ে এই কথা প্রকাশ কৰি কয়, যে অহা ১২ আগষ্টত ১০ খন সমজিলাৰ কাম আৰম্ভ হোৱাৰ প্রতি লক্ষ্য ৰাখি আৰক্ষী অধীক্ষকৰ ১০টা পদ সৃষ্টিতো আজি মন্ত্রীসভাই অনুমোদন জনায়। মন্ত্রীসভাই মুখ্যমন্ত্রীৰ বিদেশী ভাষা পদক্ষেপ আঁচনিখনতো অনুমোদন জনায়। এই আঁচনিৰ অধীনত ৰাজ্যৰ যুৱক যুৱতীসকলক  বিদেশী ভাষাৰ প্রশিক্ষণ প্রদানৰ উপৰি তেওঁলোকক জাপান আৰু অন্যান্য দেশৰ বিদেশী ভিছা আঁচনিৰ জৰিয়তে নিয়োগৰ সুযোগ প্রদান কৰা হব। শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে বিশ্ববেংকৰ পৰা দুহেজাৰ ৭৫০ কোটি টকাৰ প্রকল্পতো মন্ত্রীসভাই অনুমোদন জনায়। এই প্রকল্পৰ অধীনত প্রশিক্ষিত শিক্ষক, বিজ্ঞান প্রযুক্তি আৰু সঠিক শ্রেণীকোঠা ব্যৱস্থাপনাক প্রাধান্য দি ৪০০ খন নতুন বিদ্যালয় আৰু এহেজাৰ ৭৩৩ টা অঙ্গনবাড়ী কেন্দ্র নির্মাণ কৰা হব বুলি মুখ্যমন্ত্রীয়ে জানিবলৈ দিয়ে।

ইয়াৰ আগেয়ে মুখ্যমন্ত্রীগৰাকীয়ে ডিব্রুগড় সচিবালয়ত অনুষ্ঠিত এখন বৈঠকত সোণাৰি বিধানসভা সমষ্টিৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ অগ্রগতিৰ বুজ লয়। তেওঁ সকলো কাম স্বচ্ছতাৰে সম্পাদন কৰি সমষ্টিটোৰ সামগ্রিক বিকাশ নিশ্চিত কৰিবলৈ বিভাগীয় কর্তৃপক্ষক নির্দেশ দিয়ে। মুখ্যমন্ত্রীগৰাকীয়ে বৈঠকত ৮০০ খন আসনযুক্ত অত্যাধুনিক প্রেক্ষাগৃহ নির্মাণ, ভাৰতীয় খাদ্য নিগমৰ গুদাম ঘৰ স্থাপন আৰু সোণাৰি নগৰাঞ্চলৰ পথ উন্নীতকৰণ কৰা হ'ব বুলি ঘোষণা কৰে। মুখ্যমন্ত্রীয়ে লখিমপুৰ জিলাৰ নাওবৈচা বিধানসভা সমষ্টিৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰো পর্যালোচনা কৰে। সমষ্টিটোত বান নিয়ন্ত্রণৰ বাবে মথাউৰিবোৰ শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ জিলা আয়ুক্তক নির্দেশ দিয়ে। তেওঁ লগতে মৎস্য পালনৰ বাবে অমৃত সৰোবৰসমূহ উপযোগী কৰি তুলিবলৈও জিলা আয়ুক্তক নির্দেশ দিয়ে। চাৰিদিনীয়া ভ্রমণসূচীৰে ডিব্রুগড়লৈ যোৱা মুখ্যমন্ত্রী ড০ শর্মাই কাইলৈ ডিব্রুগড় বিশ্ববিদ্যালয়ত ৰাষ্ট্রীয় উচ্চতৰ শিক্ষা অভিযান আৰু মুখ্যমন্ত্রীৰ বিশেষ পুঁজিৰ অধীনত ১৪৭ কোটি টকা ব্যয়ৰে নির্মাণ কৰিবলগীয়া কেইবাটাও আন্তঃগাঁথনি উন্নয়ন কামৰ আধাৰশিলা স্থাপন কৰিব।

০০০০

বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড০ বসন্ত কুমাৰ ভট্টাচাৰ্যৰ মৃত্যুত  অসম সাহিত্য সভাই গভীৰ শোক প্রকাশ কৰিছে। সাহিত্যচার্য্যগৰাকীৰ সন্মানার্থে আজিৰ দিনটোত অসম সাহিত্য সভাৰ যোৰহাটৰ কেন্দ্রীয়

কাৰ্যালয়কে ধৰি গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ, ৰাংচিনা ভৱন, নগাওঁ, মঙলদৈ, ধুবুৰী, লখিমপুৰকে ধৰি সকলো কাৰ্যালয়ত পতাকা অৰ্ধননমিত কৰি ৰখা হয়। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ৮৩ বছৰ বয়সত দেহাৱসান ঘটা সাহিত্যিকগৰাকীৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়।

oooo

ধুবুৰী জিলাত আৰক্ষীয়ে অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ ককৰি তুলিছে। জিলাখনৰ তামাৰহাট আৰক্ষীয়ে অভিযান চলাই তামাচা বজাৰৰ পৰা অবৈধ তীৰ খেলৰ ঘাটি উচ্ছেদ কৰাৰ লগতে ৩ জন এজেণ্টক আটক কৰে। ধৃত জববাৰ আলী, নুৰু শ্বেখ আৰু ইয়াকুদ্দিন শ্বেখৰ পৰা আৰক্ষীয়ে নগদ ধন আৰু দুটা মোবাইল ফোন জব্দ কৰে। ইপিনে, শেহতীয়াকৈ মটৰ চাইকেল চুৰি ঘটনা সন্দৰ্ভত ধুবুৰী আৰক্ষীয়ে দুজন যুৱকক আটক কৰিছে। এই সংক্ৰান্তত আৰক্ষীয়ে যুৱক দুজনক সোধাপোচা কৰি আছে।

oooo

শিলচৰ পৌৰ নিগমে আজি শিলচৰ নগৰৰ পদপথ দখল কৰা ব্যৱসায়ীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলায়। পৌৰ নিগমৰ এটা বৃহৎ দলে আৰক্ষী আৰু প্ৰশাসনৰ লোকৰ সহযোগত নগৰখনৰ বিভিন্ন প্ৰান্তত উচ্ছেদ চলায়। পদপথত দখল কৰি থকা অস্থায়ী দোকানসমূহ ভাঙি সামগ্ৰীসমূহ আঁতৰাই পেলোৱা হয়।

oooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্ট মেচ আজিৰ পৰা অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত হৈছে। টেষ্টখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰা ভ্ৰমণকাৰী ভাৰতীয় দলটোৱে বাতৰি যুগুতোৱাৰ পৰলৈ ৩ টা উইকেট হেৰুৱাই প্ৰথম ইনিংছত ১৯১ ৰান সংগ্ৰহ কৰিছে। ছাই সুদৰ্শনে ৪২ আৰু ঋষভ পণ্টে ২৪ ৰান কৰি খেলি আছে।  ভাৰতৰ হৈ আজি বেগী বলাৰ অংশুল কমবোজৰ টেষ্ট অভিষেক ঘটিছে। আনহাতে কৰুণ নায়াৰৰ স্থানত বেটাৰ ছাই সুদৰ্শন মূল একাদশত অন্তৰ্ভুক্ত হৈছে।

oooo

দৰং জিলাৰ হাজৰিকাপাৰা দেৰানন্দ গাওঁ নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক, আদৰ্শ খেতিয়ক ভৱ কুমাৰ ডেকাৰ যোৱা নিশা নিজা বাসগৃহত দেহাৱসান ঘটে। সৰ্বৰহী ব্যক্তিগৰাকীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮১ বছৰ।

oooo

ঃঃ সমাপ্ত ঃঃ